Total number of printed pages–7

**63/1 (SEM–4) CC10/ASMHC4106**

**2025**

# ASSAMESE

Paper : ASMHC4106

***(Study on Assamese Language)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো লিখিবা ঃ *(যিকোনো ছটা)* ১×৬=৬

(ক) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ প্ৰধান শাখা হল—

*(i)* ৭টা

*(ii)* ৮টা

*(iii)* ৯টা

*(iv)* ১০টা

(খ) অসমীয়া ভাষা উদ্ভৱ হোৱা প্ৰাকৃতবিধৰ নাম হল—

*(i)* মাগধী প্ৰাকৃত

*(ii)* কামৰূপী প্ৰাকৃত

*(iii)* মহাৰাষ্ট্ৰী প্ৰাকৃত

*(iv)* শৌৰসেনী প্ৰাকৃত

(গ) 'আৰ্য' নামটো পোন প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল—

*(i)* সুকুমাৰ সেন

*(ii)* ড° বাণীকান্ত কাকতি

*(iii)* মেক্সমূলাৰ

*(iv)* থমাচ য়ুড

(ঘ) পালি ভাষাক কোৱা হয়—

*(i)* বৌদ্ধ প্ৰাকৃত

*(ii)* সৌমাৰ প্ৰাকৃত

*(iii)* কামৰূপী প্ৰাকৃত

*(iv)* মাগধী প্ৰাকৃত



(ঙ) প্ৰাকৃত ভাষাৰ যুগ আৰম্ভ হয়—

*(i)* খ্ৰীঃ পূৰ্ব ৫ম শতাব্দী

*(ii)* খ্ৰীঃ পূঃ ৬ষ্ঠ শতাব্দী

*(iii)* খ্ৰীঃ পূঃ ৭ম শতাব্দী

*(iv)* খ্ৰীঃ পূঃ ৮ম শতাব্দী

(চ) সংস্কৃতৰ দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণ লোপ হৈ অসমীয়াত হ'ল—

*(i)* উষ্ম ধ্বনি

*(ii)* নাসিক্য ধ্বনি

*(iii)* পাৰ্শ্বিক ধ্বনি

*(iv)* দন্ত্যমূলীয় ধ্বনি

(ছ) 'পৃথিবীৰ বিভিন্ন ভাষা' গ্ৰন্থখনৰ লিখক হ'ল—

*(i)* ড° বাণীকান্ত কাকতি

*(ii)* ড° ৰমেশ পাঠক

*(iii)* ড° নগেন ঠাকুৰ

*(iv)* ড° গোলোক চন্দ্ৰ গোস্বামী

(জ) তলৰ কোনখন গ্ৰন্থ পালি ভাষাত ৰচিত?

*(i)* গাহামত্তসই

*(ii)* ধম্‌ম পদ

*(iii)* ৰাবণবাহ

*(iv)* সেতুবনধ্

(ঝ) তলত উল্লেখ কৰা শব্দবোৰ কোন্ ভাষাৰ শব্দ?

আগ্ৰা, দিগাৰু, লাও-খোলা

*(i)* ৰাভা

*(ii)* কাৰ্বি

*(iii)* মিছিং

*(iv)* বড়ো

(ঞ) 'আগুন' শব্দটো কোনটো উপভাষাত প্ৰচলিত?

*(i)* কামৰূপী

*(ii)* গোৱালপৰীয়া

*(iii)* নলবাৰী

*(iv)* বৰপেটা



২। চমু উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) 'কেন্তুম' আৰু 'সতম্' শব্দ দুটাৰ অৰ্থ কি?

(খ) তৎসম আৰু তদ্ভৱ শব্দ বুলিলে কি বুজা?

(গ) মাগধী প্ৰাকৃতৰ পূৰ্বানুপৰ পৰা উদ্ভৱ হোৱা ভাষাবোৰৰ নাম লিখা।

(ঘ) উপভাষা সৃষ্টিৰ *দুটা* কাৰণ উল্লেখ কৰা।

(ঙ) পালি নামটোৰ তাৎপৰ্য সম্পৰ্কে *দুটা* মত উল্লেখ কৰা।

(চ) সাহিত্যিক প্ৰাকৃত ভাষাবোৰৰ নাম লিখা।

(ছ) 'ত্ৰিপিটিক' বুলিলে কি বুজা?

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ৫×৬=৩০

(ক) সংস্কৃতৰ 'ঋ' বৰ্ণটো পালি-প্ৰাকৃতত কিদৰে পৰিৱৰ্তন হৈছে, উদাহৰণ দি বুজাই লিখা।

(খ) উপভাষাৰ সীমা নিৰ্ধাৰণ কেনেদৰে কৰা হয়, আলোচনা কৰা।

(গ) মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা ভাষাসমূহৰ চমু পৰিচয় দিয়া।

(ঘ) মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক পাৰ্থক্য আলোচনা কৰা।

(ঙ) বিদেশী শব্দ বুলিলে কি বুজা? অসমীয়া ভাষাত কি কি বিদেশী শব্দ পোৱা যায়, আলোচনা কৰা।

(চ) মাগধী প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা।

(ছ) 'অসমীয়া ভাষা দুটা প্ৰবাহৰ সমষ্টি'— এই প্ৰবাহ দুটা কি কি আলোচনা কৰা।

(জ) চমু টোকা লিখা ঃ

(ক) কামৰূপী প্ৰাকৃত

(খ) শৌৰসেনী প্ৰাকৃত

(ঝ) প্ৰাচীন ভাৰতীয় আৰ্যভাষা সম্পৰ্কে *এটা* টোকা লিখা।

(ঞ) সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া স্বৰধ্বনিৰ পাৰ্থক্য লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১০×২=২০

(ক) উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ বিভিন্ন কাৰণবোৰ আলোচনা কৰা।

(খ) ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰা।

(গ) অসমীয়া ভাষাত কি কি জনজাতীয় ভাষাৰ শব্দ সোমাই আছে, বহলাই আলোচনা কৰা।



(ঘ) অপভ্ৰংশ ভাষা বুলিলে কি বুজা? অপভ্ৰংশ ভাষাৰ ভাষাতাত্ত্বিক বিশেষত্ব আলোচনা কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে 'থলুৱা প্ৰাকৃত' বুলি কোন কোন প্ৰাকৃতৰ কথা কোৱা হৈছে? এই সম্পৰ্কে তোমাৰ অভিমত লিখা।

(খ) মধ্য ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ কেইটা কি কি? প্ৰতিটো স্তৰৰ বিষয়ে আলোচনা কৰা।

(গ) কি কি ভাষাৰ মধ্যে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ পৰিপূৰ্ণ হৈছে, আলোচনা কৰা।